Assamese Bulletin/ Dibrugarh/ 16-5-12/ 6pm.

কেন্দ্ৰীয় চৰকাৰে দৰিদ্ৰতাৰ সীমাৰেখা নিৰ্দ্ধাৰণ তথা দৰিদ্ৰ লোকক চিনাক্ত কৰিবলৈ এক বিশেষ কাৰিকৰী গোট গঠন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই কাৰিকৰী গোট স্থাপনৰ যোগেদি দেশৰ দৰিদ্ৰ শ্ৰেণী আৰু গৃহহীন লোকসকলৰ সঠিক সংখ্যা নিৰ্দ্ধাৰণৰ লক্ষ্য গ্ৰহণ কৰা হৈছে যাতে এই লোকসকলে চৰকাৰে গ্ৰহণ কৰা আঁচনিসমূহৰ সুবিধা গ্ৰহণ কৰিব পাৰে। কেন্দ্ৰীয় চৰকাৰৰ পৰিকল্পনা, বিজ্ঞানৰ আৰু প্ৰযুক্তিবিদ্যা দপ্তৰৰ ৰাজ্যমন্ত্ৰী অশ্বিনী কুমাৰে আজি লোকসভাত এই কথা প্ৰকাশ কৰি কয় যে কাৰিকৰী গোটটোৰ গঠন আৰু ইয়াৰ কাৰ্যৱলী সন্দৰ্ভত সকলো প্ৰক্ৰিয়া সম্পূৰ্ণ হৈছে। চৰকাৰে দৰিদ্ৰতা নিৰ্মূলৰ উদ্দেশে NRHM আৰু MNREGS কে ধৰি বিভিন্ন আঁচনি ৰূপায়ণ কৰা হৈছে বুলিও তেঁও প্ৰকাশ কৰে। উল্লেখযোগ্য যে ২০১২- ১৩ বৰ্ষত MNREGS ত চৰকাৰে ৩৩ হাজাৰ কোটি টকাৰ পুঁজি আৱণ্টন দিছে। আনহাতে আজি ৰাজ্যসভাত শ্ৰম মন্ত্ৰী মল্লিকাৰ্জুন খাৰ্গেই দেশৰ পৰা শিশু শ্ৰম উচ্ছেদৰ উদ্দেশে দেশৰ ২৬৬ খন জিলাত নেশ্যনেল চাইল্ড লেৱাৰ প্ৰজেক্ট ৰূপায়ণ কৰিবলৈ চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে বুলি প্ৰকাশ কৰে। এই প্ৰকল্পৰ অধীনত শিশু শ্ৰমিকসকলক শিক্ষা, স্বাস্থ্য উন্নতিৰ বাবে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ঠিক সেইদৰে লোকসভাত কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী কুমাৰে দ্বাদশ পঞ্চ বাৰ্ষিক পৰিকল্পনাৰ সময়ত কৃষি খণ্ডত বিকাশৰ হাৰ ৪ শতাংশ বৃদ্ধি কৰিবলৈ চৰকাৰে সকলো প্ৰচেষ্টা গ্ৰহণ কৰিব বুলি

নিশ্চয়তা প্ৰদান কৰে।

০০০০০০

অসমত কিছুদিন পূৰ্বে দেখা দিয়া বিদ্যুৎ নাটনিৰ ফলস্বৰূপে ৰাজ্য চৰকাৰে বিদ্যুৎ উৎপাদন আৰু বিতৰণৰ ক্ষেত্ৰত পদক্ষেপ লোৱাৰ উদ্দেশে বিদ্যুৎ খণ্ডৰ সংস্কাৰৰ বাবে দ্বিতীয় পৰ্যায়ৰ কাৰ্যসূচী গ্ৰহণ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। অসমৰ বিদ্যুৎ আৰু উদ্যোগ মন্ত্ৰী প্ৰদ্যুৎ বৰদলৈয়ে এই কথা প্ৰকাশ কৰি কয় যে ২০০৫ চনত বিদ্যুৎ খণ্ডৰ সংস্কাৰ সাধনৰ বাবে প্ৰথম পৰ্যায়ৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছিল। উল্লেখযোগ্য যে অসমত ৭২০ ৰ পৰা ৭৮০ মেগাৱাট বিদ্যুৎৰ চাহিদা অনুপাতে বিদ্যুতৰযোগান সীমিত হোৱাত যোৱা কিছুদিনত প্ৰায় ১৫০ মেগাৱাট বিদ্যুতৰ নাটনি হোৱাৰ ফলস্বৰূপে ৰাজ্যবাসীয়ে বহু অসুবিধাৰ সন্মুখীন হ'ব লগা হৈছিল। বিদ্যুৎ মন্ত্ৰীজনে বৃহৎ পৰিমাণৰ আৰ্থিক সহযোগিতা আগবঢ়োৱাৰ বিনিময়ত আচাম পাৱাৰ জেনেৰেচন কোম্পেনী লিমিটেডে বিদ্যুৎ উৎপাদনৰ পৰিমাণ বৃদ্ধিৰ ক্ষেত্ৰত ব্যৰ্থ হোৱাত অসন্তুষ্টি প্ৰকাশ কৰিছে।

000000

তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ত শ্ৰীমন্ত শংকৰ দেৱৰ নামত এখন আসন প্ৰবৰ্ত্তন কৰা হ'ব। কেন্দ্ৰীয় চৰকাৰৰ মানৱ সম্পদ উন্নয়ন, যোগাযোগ আৰু তথ্য প্ৰযুক্তিবিদ্যামন্ত্ৰী কপিল ছিৱালে মুখ্যমন্ত্ৰী তৰুণ গগৈলৈ প্ৰেৰণ কৰা এক পত্ৰ যোগে এই কথা প্ৰকাশ কৰে। তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ সমাবৰ্তনৰ সময়ত মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে

কেন্দ্ৰীয় মন্ত্ৰীজনক অনুৰোধ জনোৱাত  শ্ৰী ছিৱালে এই বিষয়টো বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত উত্থাপন কৰে আৰু আয়োগে এই বিষয়ত সন্মতি প্ৰদান কৰাত কেন্দ্ৰীয় মন্ত্ৰীজনে পত্ৰ যোগে মুখ্যমন্ত্ৰীলৈ শ্ৰীমন্ত শংকৰ দেৱৰ নামত আসন প্ৰতিষ্ঠা কৰাত নিশ্চয়তা প্ৰদান কৰে।

0000000

শোণিতপুৰ জিলাত সংঘটিত এক পথ দুৰ্ঘটনাত এগৰাকী মহিলা নিহত হয় আৰু ২৫ জন ব্যক্তি আহত হয়। আৰক্ষীয়ে প্ৰকাশ কৰা মতে এখন দ্ৰুতবেগী বাছে গহপুৰৰ পৰা বিশ্বনাথ চাৰিআলি অভিমুখে গৈ থকা অৱস্থাত গবাইগৰা অঞ্চলত চকা ফুটাত বাছখনে নিয়ন্ত্ৰণ হেৰুৱাই দুৰ্ঘটনাত পতিত হয় আৰু ইয়াৰ ফলত এগৰাকী মহিলা থিতাতে নিহত হয়। দুটি শিশুকে ধৰি আহত ২৫ গৰাকী ব্যক্তিক বিশ্বনাথ চাৰি আলি আৰু তেজপুৰৰ চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়।

০০০০০০

উত্তৰ- পূৱ সীমান্ত ৰেলৱেই  ৰাজস্থানৰ আজমেৰত হ'বলগীয়া ওৰুচ মেলাৰ পৰিপ্ৰেক্ষিতত যাত্ৰীসকলৰ সুবিধাৰ্থে এখন বিশেষ ৰেলৰ চলাচল আৰম্ভ কৰিব। উত্তৰ- পূব সীমান্ত ৰেলৱেৰ মুখপাত্ৰ এচ হাজঙে আজি এই কথা প্ৰকাশ কৰি কয় যে এই বিশেষ ৰেলগাড়ীখনে নিউ জলপাই গুৰিৰ পৰা আজমেৰ অভিমুখে চলিত মাহৰ ১৯ আৰু ২৬ তাৰিখে যাত্ৰা কৰিব আৰু আজমেৰৰ পৰা এই ৰেলখনে চলিত মাহৰ ২২ আৰু ২৯ তাৰিখে উভতি আহিব।

000000

সমগ্ৰ ৰাজ্যৰ লগতে আজি যোৰহাটত অসম কৃষক মুক্তি সংগ্ৰাম সমিতিৰ আহ্বানত জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত অৱস্থান ধৰ্মঘট পালন কৰে। তেওঁলোকৰ দাবী সমূহ হ'ল- বৃহৎ নদী বান্ধ বিৰোধী আন্দোলনকাৰীৰ ওপৰত চৰকাৰী নিৰ্যাতন বন্ধ কৰা, নিৰীক্ষণ চকী পুনৰ স্থাপন কৰাৰ অনুমতি আৰু গ্ৰেপ্তাৰ কৰা আন্দোলনকাৰীক বিনা চৰ্তে মুক্তি দিয়া।

আনহাতে যোৰহাট মেডিকেল কলেজৰ ছাত্ৰাবাসত যোৱা নিশা স্থানীয় দুৰ্বৃত্তই ছাত্ৰবাসত বলপূৰ্ব্বক প্ৰৱেশ কৰি পঢ়ি থকা ছাত্ৰক কেৰিয়াৰ ধ্বংস কৰাৰ ভাবুকিৰ লগতে অশ্লীল ভাষাৰে ভীতি প্ৰদৰ্শন কৰে। ছাত্ৰসকলে আজি মহাবিদ্যালয় প্ৰশাসনীয় ভাৱনৰ সন্মুখত এনে কাৰ্যৰ তীব্ৰ গৰিহণা দিয়ে আৰু ছাত্ৰ- ছাত্ৰীৰ নিৰাপত্তা আৰু দুৰ্বৃত্তক কৰায়ত্ব কৰিবলৈ দাবী জনায়। শিক্ষাৰ্থীসকলে তেওঁলোকৰ দাবীসমূহ পূৰণ কৰিবলৈ মহাবিদ্যালয় প্ৰশাসনক আহ্বান জনায় আৰু এখন আৱেদন জিলা উপায়ুক্তলৈ প্ৰেৰণ কৰে।

0000000

নিত্য প্ৰয়োজনীয় খাদ্য সামগ্ৰীৰ আকাশলংঘী মূল্য বৃদ্ধিৰ প্ৰতিবাদত ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ মৰিগাঁও জিলা গোটৰ উদ্যোগত আজি মৰিগাঁৱত এক প্ৰতিবাদী সমদল উলিওৱা হয়। প্ৰতিবাদকাৰীসকলে মৰিগাঁও জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত ধৰ্ণা কাৰ্যসূচী পালন কৰি প্ৰয়োজনীয় সামগ্ৰীৰ মূল্যবৃদ্ধি ৰোধ কৰিবলৈ

চৰকাৰৰ ওচৰত দাবী জনায়। প্ৰতিবাদী সভাত CPI নেতা প্ৰাক্তন বিধায়ক মুনিন মহন্তই ভাষণ দি কয় যে চৰকৰে ৰাজহুৱা বিতৰণ ব্যৱস্থাৰে সুলভ মূল্যৰ দোকানৰ জৰিয়তে দুখীয়া লোকক নিয়ন্ত্ৰিত দামত দৈনন্দিন ব্যৱহাৰ্য সামগ্ৰী দিয়াত ব্যৰ্থ হৈছে। তদুপৰি ৰন্ধন গেছৰ ছিলিণ্ডাৰৰ কৃত্ৰিম নাটনি, চোৰাং ব্যৱসায় ৰোধ কৰাত চৰকাৰী বিভাগক দোষাৰোপ কৰাৰ লগতে জিলাখনত বিশুদ্ধ খোৱা পানীৰ আঁচনি ব্যৰ্থ হোৱা বুলি প্ৰাক্তন বিধায়কজনে অভিযোগ কৰে।

০০০০০০০

সমাপ্ত